ত আলোচনাৰে ১৩ পিঠিলে ... ১৩ পিঠিলে

৩ ফেব্ৰুৱাৰী, ২০২৩ দৈনিক জনমভূমি

# যোৰহাট কলেজত কলেজ সপ্তাহৰ বৰ্ণাঢ্য কাৰ্যসূচী




**যোৰহাট ঃ ২ ফেব্ৰুৱাৰী ঃ** যোৰহাট কলেজৰ কলেজ সপ্তাহ যোৱা ২৮ জানুৱাৰীৰ পৰা ১ ফেব্ৰুৱাৰীলৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। কলেজ সপ্তাহ আৰম্ভ হয় পতাকা উত্তোলনেৰে। ছাত্ৰ একতা সভাৰ সভাপতিৰ উপদেষ্টা ড° মৌচুমী মহন্তই পতাকা উত্তোলন কৰাৰ পাছত বিভাগসমূহৰ পতাকা উত্তোলন কৰে বিভাগৰ মুৰব্বীসকলে। অনুষ্ঠানটোৰ আঁত ধৰে অধ্যাপিকা স্বপ্নাজ্যোতি বৰাই। মহাবিদ্যালয় সপ্তাহ উদ্বোধন কৰে যোৰহাট জিলাৰ আৰক্ষী অধীক্ষক শ্বেতাংক মিশ্ৰই। ভাষণত মিশ্ৰই কয় যে অনুশাসন অবিহনে ছাত্ৰ জীৱনত সফলতা অৰ্জন কৰা টান। কলেজ সপ্তাহৰ সময়ছোৱাত বিভিন্ন ক্ৰীড়া, সংগীত, সাহিত্য প্ৰতিযোগিতাত অভিলেখ সংখ্যক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। কালি অনুষ্ঠিত হোৱা বঁটা বিতৰণী সভাত পৌৰোহিত্য কৰে পৰিচালনা সমিতিৰ সভাপতি ড° পৰাণ বৰুৱাই। মুখ্য অতিথি ১৩ পিঠিলৈ

# যোৰহাট কলেজত...

হিচাপে সভাত বক্তব্য আগবঢ়ায় অসম গৌৰৱ বঁটা প্ৰাপ্ত আকাশ গগৈয়ে। গগৈয়ে ছাত্ৰ-ছাত্ৰীৰ বাবে ভৱিষ্যতৰ পথ প্ৰদৰ্শন কৰি ভালেমান গুৰুত্বপূৰ্ণ বিষয়ত আলোকপাত কৰে। কলেজৰ অধ্যক্ষ ড° সৌমিত্ৰ পূজাৰীয়ে সভাত আদৰণী ভাষণ আগবঢ়ায়। সভাত কলেজৰ প্ৰাক্তন ছাত্ৰ মাজুলী সাংস্কৃতিক বিশ্ব বিদ্যালয়ৰ ছাত্ৰ কল্যাণ বিষয়া ড° ভাস্কৰজ্যোতি বৰুৱা, নবীন চন্দ্ৰ বৰদলৈ কলেজৰ অধ্যক্ষ ড° দিগন্ত কুমাৰ ফুকন, উপাধ্যক্ষ উৎপল দত্ত, ৰূপালী বৰা, ড° মৌচুমী মহন্ত আদিয়ে অংশগ্ৰহণ কৰে। কলেজ সপ্তাহৰ বঁটাসমূহৰ উপৰি এই সভাতে বিভিন্ন শিতানত প্ৰদান কৰা তৰুণমোহন গোস্বামী বঁটা, দীপালি নেওগ সোঁৱৰণী বঁটা, প্ৰতিমা পেগু সোঁৱৰণী বঁটা, প্ৰভাস বৰা সোঁৱৰণী বঁটা,ভৱেন বৰা সোঁৱৰণী বঁটা আদি প্ৰদান কৰা হয়। ডিম্পল দাস আৰু আৰতি কলিতা যুটীয়াভাৱে মহাবিদ্যালয়ৰ বছৰৰ শ্ৰেষ্ঠ শিক্ষাৰ্থী নিৰ্বাচিত হয়। আবেলিৰ বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানত অতিথি শিল্পী বিকশিতা গগৈয়ে গীত পৰিৱেশন কৰে।